*চিৰাঙত মেগা বিহুৰ অনুষ্ঠানত নাচনীৰ আখৰা, শনিবাৰে।*

দৈনিক অগ্ৰদূত/ ০২/০৪/২০২৩

# যোৰহাট কলেজত বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মাক স্মৰণ

## ১৯৭৪ৰ বড়ো ভাষাৰ ৰোমান লিপি আন্দোলন সম্পৰ্কত আলোচনা

যোৰহাট, ১ এপ্ৰিল ঃ যোৱা ৩১ মাৰ্চত যোৰহাট মহাবিদ্যালয়ৰ আলোচনা কক্ষত বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মাৰ মৃত্যু দিৱস উপলক্ষ্যে তেওঁৰ উপৰি ১৯৭৪ৰ বড়ো ভাষাৰ ৰোমান লিপি আন্দোলনৰ ১৮ ছহিদকো স্মৰণ কৰা হয়। ইতিহাস বিভাগৰ মুৰব্বী অধ্যাপক ড° সৌমিত্ৰ পূজাৰীয়ে স্মৃতি ধৰা অনুষ্ঠানটোত সুদূৰ কোকৰাঝাৰৰ পৰা অহা অধ্যাপক ড° বৰলাও খুংগুৰ কাৰ্জিয়ে নিখিল বড়ো ছাত্ৰ সন্থাৰ জন্মলগ্নৰ পৰা বড়ো আন্দোলনৰ ইতিহাস, ১৯৬৭ৰ ফেডাৰেল অসমৰ আন্দোলনৰ পৰা ১৯৭৪ৰ ৰোমান লিপি আন্দোলন, প্ৰফুল্ল কুমাৰ মহন্ত আৰু ছাত্ৰ আন্দোলনৰ নেতৃত্বৰ দ্বাৰা বড়োফাৰ অপমান আদিৰ কথা কয় আৰু




তেওঁলোকৰ আন্দোলনৰ যুক্তি সাব্যস্ত কৰে। তাৰ পাছতে পৰিচালনা সমিতিৰ সভাপতি বিশিষ্ট বিজ্ঞানী ড° পৰাণ বৰুৱাই আদৰণি ভাষণত বড়োফাই পঢ়া শক্তি আশ্ৰম বিদ্যালয়ৰ স্মৃতি ৰোমন্থনৰ লগতে সুজিত নাৰ্জাৰীৰ হত্যাই বড়ো আন্দোলনৰ বাট কটাৰ কথা সোঁৱৰে। তেওঁ যোৰহাট কলেজক বড়ো অঞ্চললৈ গৈ এই ধৰণৰ গৱেষণা কৰিবলৈ আৰু বড়ো নেতৃত্বক তাত ১৩ পৃষ্ঠাত চাওক

Contd 12 page

# যোৰহাট কলেজত বড়োফা উপেন্দ্ৰ নাথ

১২ পৃষ্ঠাৰ পৰা সহযোগ কৰিবলৈ আহ্বান জনায়। মহাবিদ্যালয়ৰ অধ্যক্ষ দ° দেৱব্ৰত শৰ্মাই ১৯৭৪ৰ বড়ো ভাষাৰ
ৰোমান লিপি আন্দোলনৰ কথা ক'বলৈ গৈ ১৯৬০ আৰু ১৯৭২ৰ অসমীয়া ৰাজ্য ভাষা আন্দোলন আৰু মাধ্যম
আন্দোলনে নাগা-মিজো-খাচি-গাৰোকে কেৱল নহয়, বড়ো-মিচিঙকে ধৰি জনজাতিসকলকো কেনেকৈ দূৰলৈ ঠেলি
দিলে, তাৰ ফলত ১৯৭৪ৰ বড়ো আন্দোলন কেনেকৈ অনিবাৰ্য হৈ পৰিল, সেই আন্দোলনত ১৮জনৰ হত্যা,
২০,০০০জনৰ গ্ৰেপ্তাৰ, বহু মহিলাৰ ধৰ্ষণৰ জৰিয়তে চৰকাৰ তথা অসমীয়া উগ্ৰ জাতীয়তাবাদীৰ দমন, তাৰ পাছতো
ৰোমান লিপি নিদি দেৱনাগৰি জাপি দিয়া, অসম আন্দোলনত বিহুৰাম বড়ো-হাবিৰাম বড়োৰ হত্যা, অসম
আন্দোলনকাৰীৰ দ্বাৰা সুজিত নাৰ্জাৰীৰ হত্যা; গহপুৰত শতাধিক বড়ো-মেচৰ হত্যা, ১৯৮৮ত বিসমুৰি ভুমকাত ১০
বড়ো মহিলাৰ ধৰ্ষণ, উপেন ব্ৰহ্মাৰ আদ্যশ্ৰাদ্ধৰ দিনা ৫০ বড়ো মহিলাৰ ধৰ্ষণ, এই সকলোবোৰে কেনেকৈ বড়োফাৰ
মৃত্যুৰ আগে-পাছে বড়ো আন্দোলনৰ ৰচদ যোগালে, বিভাজনৰ বিপৰীতে ১৯৬৭তে 'এবছু-পিতিচিএ'ই আৰু
পৰৱৰ্তী কালত আটছুৱেই পোষকতা কৰা ফেডাৰেল গাঁথনি এতিয়াও প্ৰাসংগিক সেই বিষয়ত আলোকপাত কৰে। দ°
শৰ্মাই ৰজতকমল প্ৰাপ্ত জ্বংদাও বৰোচাৰ 'হাগ্ৰামায়াও' জিনাহায়'ৰ 'ৰেপ ইন দ্য ভাৰ্জিন ফৰেষ্ট'ৰ সুখস্মৃতি সোঁৱৰে।
অসমীয়াৰ পৱিত্ৰতম শব্দ 'আই' যে বড়ো ভাষাৰ, অসমীয়াৰ দৰে বড়োসকলো যে উগ্ৰজাতিদম্ভ নহয়, সকলো জাতি-
জনগোষ্ঠীৰ সম-মৰ্যাদা, সম অধিকাৰৰ ভিত্তিত নতুন অসম, নতুন ভাৰত যে গঢ়াটো সম্ভৱ, সেই আহ্বান জনোৱা হয়
আৰু কোৱা কয় যে তেনে পদক্ষেপৰ যোগেদিহে মহান বড়ো, মহান অসমীয়া, বিপ্লৱী ভাৰতীয় বিষ্ণুপ্ৰসাদ ৰাভাৰ
সপোন ফলিয়াব। সভাখনত কলেজ পৰিয়ালৰ সদস্যসকলৰ উপৰি কোকৰাঝাৰৰ সাংবাদিক প্ৰীতম ব্ৰহ্মচোধুৰীয়ে
অংশগ্ৰহণ কৰে।